# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-08-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্বাধীনতাৰ বাবে দেশবাসীয়ে একতা আৰু ত্যাগেৰে কৰা সংগ্ৰাম আৰু সংকল্পৰ দৰেই আজি ১৪০ কোটি দেশবাসীয়েও সেৰা আগবঢ়ালে ২০৪৭ চনত বিকশিত ভাৰতৰ সপোন বাস্তৱত পৰিণত হ'ব বুলি আস্থা প্ৰকাশ কৰিছে। স্বাধীনতা দিৱস উপলক্ষে লালকিল্লাৰ পৰা ৰাষ্ট্ৰক উদ্দেশ্যি দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে কয় যে, চৰকাৰে ৰাষ্ট্ৰ প্ৰথম নীতিৰ আধাৰত বিকাশৰ বাবে বিভিন্ন সংস্কাৰ সাধন কৰিছে। প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে আজি অৰ্ধপৰিবাহী উৎপাদনৰ ক্ষেত্ৰত গোলকীয় নেতৃত্ব প্ৰদানৰ ক্ষেত্ৰত ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা উনুকিয়াই কয় যে দেশে অৰ্ধপৰিবাহী সামগ্ৰীৰ ক্ষেত্ৰত আমদানিৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰা লক্ষ্য নিৰ্ধাৰণ কৰাৰ লগতে প্ৰযুক্তিগত উপলভ্যতা উন্নত কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে। তেওঁ লগতে নিৰ্মাণ, গেমিং আৰু ডিজাইনিঙকে ধৰি প্ৰায় সকলো খণ্ডতে ন ন উদ্ভাৱনৰ জৰিয়তে ভাৰতক বিশ্ব নেতৃত্ব হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰে। প্ৰধানমন্ত্ৰীয়ে তেওঁৰ ভাষণত প্ৰাচীন নালন্দা বিশ্ববিদ্যালয়ক পুনৰুজ্জীৱিত কৰি তোলাৰ বিষয়ে আলোকপাত কৰি কয় যে উচ্চ শিক্ষা আৰু গৱেষণাৰ কেন্দ্ৰ হিচাপে দেশক সমগ্ৰ বিশ্বৰে শিক্ষাৰ প্ৰধান কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ ওপৰতো বিশেষভাৱে গুৰুত্ব দিয়া হ'ব।

০০০০০০০০০

দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো ব্যাপক উৎসাহ-উদ্দীপনাৰে আজি ৭৮ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰা হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আয়োজিত কেন্দ্ৰীয় কাৰ্যসূচীত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি দিয়া ভাষণত কয় যে দেশৰ ৫ খন দ্ৰুতগতিত বিকশিত হোৱা ৰাজ্যৰ ভিতৰত অসম অন্যতম। দীৰ্ঘস্থায়ী বিকাশৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰতো অসম এখন আগশাৰীৰ ৰাজ্য হিচাপে পৰিগণিত হৈছে বুলি তেওঁ কয়। ভাষণৰ আৰম্ভণিতে মুখ্যমন্ত্ৰীগৰাকীয়ে দেশৰ বাবে প্ৰাণ আহুতি দিয়া প্ৰতিগৰাকী ব্যক্তিলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ভাষণত মুখ্যমন্ত্ৰীয়ে বিগত ১০ বছৰত ৰাজ্যখনৰ ৮০ লাখতকৈ অধিক লোক দৰিদ্ৰতাৰ পৰা মুক্ত হৈছে আৰু ২০৪৭ চনৰ ভিতৰত অসম এখন পূৰ্ণ বিকশিত ৰাজ্যত পৰিণত হ'ব বুলি প্ৰকাশ কৰে।

ৰাজ্যৰ আন আন জিলাতো স্বাধীনতা দিৱস উপলক্ষে ৰাজ্য চৰকাৰৰ মন্ত্ৰীসকলৰ লগতে স্বায়ত্তশাসিত পৰিষদসমূহৰ মুখ্য কাৰ্যবাহী সদস্যসকলে বিভিন্ন ঠাইত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে বঙাইগাঁৱত, অতুল বৰাই নগাঁৱত, উৰ্খাও গৌড়া ব্ৰহ্মই দৰঙত, চন্দ্ৰমোহন পাটোৱাৰীয়ে কামৰূপত, কেশৱ মহন্তই হোজাইত, ডাঃ ৰণোজ পেগুৱে লখিমপুৰত, অশোক সিংহলে শোণিতপুৰত, যোগেন মহনে যোৰহাটত, সঞ্জয় কিষাণে তিনিচুকীয়াত, অজন্তা নেওগে গোলাঘাটত, পীযুষ হাজৰিকাই গোৱালপাৰাত, বিমল বৰাই ডিব্ৰুগড়ত, নন্দিতা গাৰ্লোছাই শিলচৰত, জয়ন্ত মল্লবৰুৱাই নলবাৰীত পতাকা উত্তোলন কৰে। আনহাতে, বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে কোকৰাঝাৰত, কাৰ্বিআংলং স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী তুলিৰাম ৰংহাঙে ডিফুত, উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেবলাল গাৰ্লোছাই হাফলঙত, বিটিআৰৰ উপ-মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ চন্দ্ৰ বসুমতাৰীয়ে ওদালগুৰিত আৰু অসম বিধানসভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিনে চৰাইদেউত পতাকা উত্তোলন কৰে। কৰিমগঞ্জ জিলাত জিলাখনৰ আয়ুক্ত মৃদুল যাদৱে স্বাধীনতা দিৱসৰ ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি বৰপেটা জিলা কাৰাগাৰত 'কাৰাগাৰৰ পৰা কাৰিকৰলৈ' শীৰ্ষক এটা কাৰ্যসূচী মুকলি কৰা হয়। কাৰাধ্যক্ষ নিলোৎপল কাকতিয়ে জানিবলৈ দিয়া মতে এই কাৰ্যসূচীৰ জৰিয়তে কাৰাবন্দীসকলক আত্মনিৰ্ভৰ কৰি তোলাৰ ব্যৱস্থা গঢ়ি তোলা হৈছে। কাৰাবন্দীসকলক বিভিন্ন সামগ্ৰী প্ৰস্তুত কৰাৰ বাবে প্ৰয়োজনীয় প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০০

উগ্ৰপন্থী সংগঠন আলফা স্বাধীনে আজি গুৱাহাটী মহানগৰীৰ আঠটা স্থানৰ লগতে ৰাজ্যখনৰ ২০ টাৰো অধিক স্থানত বোমা সংস্থাপন কৰা বুলি এটা বিবৃতিযোগে দাবী কৰিছিল। এই অনুসৰি আৰক্ষীয়ে গুৱাহাটীৰ দুটা স্থানত বোমা সদৃশ সামগ্ৰী উদ্ধাৰ কৰাৰ উপৰি ৰাজ্যৰ অন্য কেইবাটাও স্থানতো বোমা সদৃশ সামগ্ৰী উদ্ধাৰ কৰিছে। শিৱসাগৰ জিলাতো দুটা স্থানত বোমা বুলি সন্দেহ কৰা সামগ্ৰী উদ্ধাৰ হৈছে। আৰক্ষীয়ে বোমা বিশেষজ্ঞৰ পৰ্যবেক্ষণৰ পাছতহে এইক্ষেত্ৰত নিশ্চিত হ'ব বুলি জানিবলৈ দিছে। অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান জি পি সিঙে এইক্ষেত্ৰত কয় যে একেধৰণৰ বোমাসদৃশ সামগ্ৰী নলবাৰী, লখিমপুৰ আৰু নগাঁৱতো উদ্ধাৰ হৈছে আৰু সুৰক্ষিতভাৱে আঁতৰ কৰা হৈছে। এই সামগ্ৰী ফৰেণচিক পৰীক্ষাৰ বাবে পঠিওৱা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উগ্ৰপন্থীৰ এই কাৰ্যকলাপৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ পৰিৱেশ ধ্বংস নকৰিবলৈ আলফাৰ সেনাপ্ৰধান পৰেশ বৰুৱাক আহ্বান জনাইছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে অসমে বহু বছৰৰ মূৰত বৰ্তমান উন্নয়নৰ পথত গতি কৰিবলৈ সমৰ্থ হৈছে আৰু এই ক্ষেত্ৰত ৰাজ্যত সুস্থ বিনিয়োগৰ পৰিৱেশ বৰ্তাই ৰখাটো অত্যন্ত জৰুৰী।

০০০০০০০

**সমাপ্ত**